অধ্যায় ১০ ঃ মুদ্রাস্ফীতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ মুদ্রাস্ফীতি
১০.৩.১ মুদ্রাস্ফীতিৰ অর্থ আৰু সংজ্ঞা
১০.৩.২ মুদ্রাস্ফীতিৰ প্রকাৰ আৰু তত্ত্ব
১০.৪ মুদ্রাস্ফীতিৰ প্রভাৱ আৰু মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উপায়
১০.৪.১ মুদ্রাস্ফীতিৰ প্রভাৱ
১০.৪.২ মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উপায়
১০.৫ গাঁথনিগত মূদ্রাষ্ফীতি
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবৰ বাবে
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- 'মুদ্রাস্ফীতি'ৰ সংজ্ঞা দিয়াৰ উপৰিও ইয়াৰ প্রকাৰ সম্পর্কে আলোচনা কৰিব পাৰিব
- অর্থনীতিত মুদ্রাস্ফীতি সৃষ্টি কৰিব পৰা কাৰক আৰু এই সমূহৰ প্রভাৱ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- চাহিদা জনিত মুদ্রাস্ফীতি আৰু ব্যয় জনিত মুদ্রাস্ফীতি সম্পর্কে বর্ণনা কৰিব পাৰিব
- মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উপায়সমূহ ব্যাখ্যা কৰিব পাৰিব
- গাঁথনিগত মূদ্রাষ্ফীতিৰ ধাৰণাৰ সম্পর্কে বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায় কেইটিত আমি মুদ্রা (money) ৰ বিষয়ে আলোচনা কৰিছোঁ। এই অধ্যায়সমূহৰ পৰা আপুনি ইতিমধ্যে বুজি উঠিছে যে অর্থনীতিত মুদ্রাৰ যোগান বৃদ্ধিয়ে মুদ্রাস্ফীতিৰ সৃষ্টি কৰে। অর্থাৎ, মুদ্রাস্ফীতি হৈছে মূল্যবৃদ্ধিৰ চৰিত্রৰে গঠিত এক মুদ্রা সম্বন্ধীয় পৰিঘটনা। অৱশ্যে মুদ্রাস্ফীতি এক অতি জটিল পৰিঘটনা হোৱা বাবে ইয়াৰ শুদ্ধ সংজ্ঞা দিয়াটো কঠিন। এই অধ্যায়টিত আমি মুদ্রাস্ফীতিৰ গুৰুত্বপূর্ণ সংজ্ঞাসমূহৰ বিষয়ে অধ্যয়ন

কৰিম। লগতে, মুদ্রাস্ফীতিৰ বিভিন্ন প্ৰকাৰ, কাৰক আৰু মুদ্রাস্ফীতি নিয়ন্ত্ৰণ তথা মুদ্রাক্ষয় নিয়ন্ত্ৰণৰ গুৰুত্বপূৰ্ণ উপায়সমূহৰ বিষয়েও আলোচনা কৰিম।

১০.৩ মুদ্রাস্ফীতি

আমি আগতেই উল্লেখ কৰি আহিছোঁ যে, মুদ্রাস্ফীতি হৈছে বৰ্দ্ধিত মূল্যস্তৰৰ এক মৌদ্রিক পৰিঘটনা। অৱশ্যে এই পৰিঘটনাটো অত্যন্ত জটিল আৰু সেয়ে এক সম্যক সংজ্ঞা আগবঢ়োৱাটো অত্যন্ত কঠিন। এই অধ্যায়টোত মুদ্রাস্ফীতিৰ অৰ্থৰ লগতে কেইটিমান গুৰুত্বপূৰ্ণ সংজ্ঞাৰ আলোচনা কৰা হ'ব।

১০.৩.১ মুদ্রাস্ফীতিৰ অৰ্থ আৰু সংজ্ঞা

আগতে উল্লেখ কৰা হৈছে যে মুদ্রাস্ফীতি হৈছে মূল্যবৃদ্ধিৰ দ্বাৰা চিহ্নিত হোৱা এক জটিল মুদ্রাসম্বন্ধীয় পৰিঘটনা। ইয়াত 'মূল্যবৃদ্ধি' হৈছে অতি গুৰুত্বপূৰ্ণ দিশ। কিয়নো মুদ্রাস্ফীতি হৈছে এনে এক স্থিতি য'ত মূল্যবৃদ্ধি এটা নিৰ্দ্দিষ্ট সময়ৰ বাবে নহয় বৰঞ্চ ই হৈ পৰে এক নিয়মীয়া প্ৰক্ৰিয়া। সেয়েহে নিয়মীয়া ৰূপত নোহোৱা পৰ্য্যন্ত এক খন্তেকীয়া মূল্যবৃদ্ধিক মূদ্রাস্ফতি বুলিব নোৱাৰি। অৱশ্যে এই কথা সত্য যে মূল্যবৃদ্ধিৰ অবিহনেও মুদ্রাস্ফীতি হ'ব পাৰে।বিশেষকৈ, যুদ্ধৰ সময়ছোৱাত এনে ধৰণৰ মুদ্রাস্ফীতি প্ৰত্যক্ষকৰা হয়। যুদ্ধৰ সময়ত সৃষ্টি হোৱা বহুতো ধৰণৰ নিয়ন্ত্ৰণ ব্যৱস্থা বাহাল ৰখা বাবে সামগ্ৰীৰ মূল্য নিয়ন্ত্ৰিত হৈ থাকে। কিন্তু নিয়ন্ত্ৰণসমূহ শিথিল কৰাৰ লগে লগে মূল্যবৃদ্ধি পুনৰ দেখা যায়। গতিকে মুদ্রাস্ফীতিৰ প্ৰকৃত পৰীক্ষণ কৰিবলৈ মুদ্রাবৃদ্ধি অথবা মূল্য বৃদ্ধিৰ পৰিমাণ চোৱাৰ পৰিবৰ্তে অস্বাভাৱিক লাভৰহে পৰীক্ষণ কৰা উচিত। যেতিয়াই কোনো এজন ব্যৱসায়ী অথবা উৎপাদকে বৃহৎ পৰিমাণে লাভ অৰ্জন কৰে, সেয়া হৈছে মুদ্রাস্ফীতিৰ চিহ্ন।

মুদ্রাস্ফীতিৰ সংজ্ঞা ঃ আগতেই আলোচনা কৰি অহা হৈছে যে মুদ্রাস্ফীতি হৈছে এক জটিল আৰু বহুমুখী পৰিঘটনা। বহুতো অৰ্থবিজ্ঞানীয়ে এই সম্পৰ্কে সংজ্ঞা আগবঢ়াব বিচাৰি বিফল হৈছে; কিয়নো, এই পৰিঘটনাটোৰ কোনো এটা দিশৰ বৰ্ণনা দিবলৈ গৈ তেওঁলোকে আনটো দিশ এৰিবলগীয়া হৈছে। সেয়েহে মুদ্রাস্ফীতিৰ এক সৰ্বজন স্বীকৃত সংজ্ঞা আগবঢ়োৱাটো যথেষ্ট কঠিন। তথাপিও আমি মুদ্রাস্ফীতিৰ কেতবোৰ গুৰুত্বপূৰ্ণ সংজ্ঞা সম্পৰ্কে আলোচনা কৰিবলৈ লৈছোঁ।

ক্ৰাউথাৰৰ (Crowther)ৰ মতে, *'মুদ্রাস্ফীতি হৈছে এনে এক স্থিতি য'ত মুদ্রাৰ মূল্য হ্ৰাস হয়, অৰ্থাৎ মূল্যস্তৰ বৃদ্ধি হয়'*। অৰ্থাৎ, সাধাৰণতে বিশ্বাস কৰা হয় যে মুদ্রাস্ফীতিৰ সময়ছোৱাত মূল্যস্তৰ বৃদ্ধি হয়। ইয়াক *'অতিৰিক্ত পৰিমাণৰ মুদ্রা অতি কম সংখ্যক সামগ্ৰীৰ পিছত ঘূৰি ফুৰিছে, যাৰ দ্বাৰা মূল্যস্তৰ অস্বাভাবিকভাৱে*

বৃদ্ধি হয়'—এই বুলিও কোৱা হয়।

এক্‌লে (Ackley)ৰ মতে, সাধাৰণ মূল্যস্তৰৰ এক নিয়মীয়া আৰু প্ৰভাৱশালী বৃদ্ধি অথবা গড় মূল্যৰ বৃদ্ধি হোৱাটোকে মুদ্রাস্ফীতি বোলা হয়। আনহাতে মিল্টন ফ্ৰেইডমেন (Milton Friedman)-অৰ সংজ্ঞা অনুসৰি, "মুদ্রাস্ফীতি হৈছে মূল্যস্তৰ বৃদ্ধিৰ এক স্থিৰ আৰু দীৰ্ঘম্যাদী প্ৰক্ৰিয়া"।

১০.৩.২ মুদ্রাস্ফীতিৰ প্ৰকাৰ আৰু তত্ত্ব


সাধাৰণভাৱে মুদ্রাস্ফীতিৰ চাৰিটা প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি, চাৰি ধৰণৰ তত্ত্ব পোৱা যায় ঃ (ক) চাহিদা জনিত মুদ্রাস্ফীতি, (খ) ব্যয় জনিত মুদ্রাস্ফীতি, (গ) চাহিদা-ব্যয় মিশ্ৰিত মুদ্রাস্ফীতি আৰু (ঘ) খণ্ড ভিত্তিক চাহিদা বিচ্যুতি তত্ত্ব। এই অধ্যায়টিত অৱশ্যে আমি প্ৰথম দুটা তত্ত্বৰ বিষয়ে আলোচনা কৰিম।

চাহিদা জনিত মুদ্রাস্ফীতি (Demand pull inflation) ঃ এই ধৰণৰ মুদ্রাস্ফীতিক এনেদৰে বুজোৱা হয় *'অতিৰিক্ত পৰিমাণৰ মুদ্রা অতি কম সংখ্যক সামগ্ৰীৰ পিছত ঘূৰি ফুৰিছে'*। ই এনেধৰণৰ পৰিস্থিতিক সূচায় যেতিয়া প্ৰচলিত মূল্যত উপলব্ধ যোগানতকৈ সামগ্ৰী আৰু সেৱা সমূহৰ বাবে চাহিদা বৃদ্ধি হোৱাৰ ফলত সাধাৰণ মূল্য স্তৰ বৃদ্ধি পায়।

পৰম্পৰাগতভাৱে, সংস্থাপিক অৰ্থবিজ্ঞানীসকলৰ মতে, কোনো এক অৰ্থনীতিত দেখা দিয়া মুদ্রাস্ফীতিৰ বাবে প্ৰধানকৈ মুদ্রাৰ বৰ্ধিত যোগানেই দায়ী। এই সকলৰ মতে, মূল্যস্তৰ বৃদ্ধি মুদ্রাৰ যোগান বৃদ্ধিৰ সমানুপাতিক। উদাহৰণস্বৰূপে, মুদ্রাৰ যোগান ৫ শতাংশ বৃদ্ধি হ'লে, মূল্যস্তৰৰ বৃদ্ধিও ৫ শতাংশ হ'ব। কেইন্সে অৱশ্যে মুদ্রাৰ পৰিমাণ আৰু মুঠ চাহিদাৰ মাজত তেনেধৰণৰ প্ৰত্যক্ষ আৰু সমানুপাতিক সম্পৰ্ক স্বীকাৰ কৰি লোৱা নাই। এইখিনিতে উল্লেখযোগ্য যে চাহিদা-জনিত মুদ্রাস্ফীতি আলোচনা কৰাৰ তিনিটা মূল পদ্ধতি আছে; সেইসমূহ যথা— (ক) কেইন্সৰ মুদ্রাস্ফীতি জনিত ব্যৱধান বিশ্লেষণ, (খ) অতিৰিক্ত চাহিদা বিশ্লেষণ আৰু (গ) বেন্ট হাছ্নেৰ চাহিদা-জনিত মুদ্রাস্ফীতি তত্ত্ব। এই অধ্যায়টিত আমি চাহিদা-জনিত মুদ্রাস্ফীতিৰ আলোচনা কৰিবলৈ কেৱল অতিৰিক্ত চাহিদা বিশ্লেষণ পদ্ধতিহে ব্যৱহাৰ কৰিম।

অতিৰিক্ত চাহিদা বিশ্লেষণ পদ্ধতি (Excess demand analysis approach) ঃ এই পদ্ধতিটোত মুদ্রাস্ফীতি এনে এটা পৰিঘটানা হিচাপে ব্যাখ্যা কৰা হয়; যিটো বৰ্দ্ধিত মূল্যস্তৰৰ পৰা উদ্ভূত। উল্লেখযোগ্য যে, সেৱা আৰু সামগ্ৰী সমূহৰ যোগানৰ তুলনাত অতিৰিক্ত চাহিদাই ইয়াক দীৰ্ঘকাললৈ প্ৰসাৰিত কৰে। এই ধাৰণাটো তলৰ ১০.১ নং চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা হৈছে।

চিত্র ১০.১ ঃ চাহিদা-জনিত মুদ্রাস্ফীতি




ওপৰৰ চিত্ৰটিত Y-অক্ষত মূল্যস্তৰ আৰু X-অক্ষত প্ৰকৃত আয় দেখুওৱা হৈছে। ইয়াত, D_0, D_1 আৰু D_2 হৈছে মুঠ চাহিদা ৰেখা আৰু AS ৰেখাই মুঠ যোগানৰ ফলন সম্পৰ্ক দেখুৱাইছে। এই মুঠ চাহিদা ৰেখাসমূহে ডন্ পেটিনকিনৰ ***প্ৰকৃত ৰাহি বিপাক*** (Real balance effects) ক প্ৰতিফলিত কৰিছে। চিত্ৰটিৰ পৰা এয়া স্পষ্ট যে প্ৰকৃত আয় স্তৰ বৃদ্ধি হোৱাৰ লগে লগে মুঠ চাহিদা স্তৰৰো বৃদ্ধি হয়। অৰ্থাৎ Y_0 ৰ পৰা Y_1 লৈ প্ৰকৃত আয় বৃদ্ধিয়ে মুঠ চাহিদা D_0 ৰ পৰা D_1 লৈ বৃদ্ধি কৰিছে। ইয়াৰ ফলস্বৰূপে, মূল্যস্তৰ P_0 ৰ পৰা P_1 লৈ বৃদ্ধি পায়।

উল্লেখযোগ্য যে, প্ৰকৃত আয় বৃদ্ধিৰ ফলস্বৰূপে বৃদ্ধি পোৱা মুঠ চাহিদাৰ স্তৰে মুঠ যোগানতো অৰিহনা যোগায়। অৱশেষত এনে এক পৰ্যায় আহে, যেতিয়া মুঠ যোগান বৃদ্ধি সৰ্বোচ্চ হৈ পৰে। এইটো পৰ্যায়তে অৰ্থনীতিয়ে পূৰ্ণ নিয়োজনৰ স্তৰ লাভ কৰে। এই স্তৰত উপনীত হোৱাৰ পাছত প্ৰকৃত আয়ৰ পুনৰ বৃদ্ধি হ'ব নোৱাৰে। অৰ্থাৎ, এই পৰ্যায়টোত যোগান অধিক বৃদ্ধি নহয়; যাৰ ফলত মুঠ যোগান ৰেখাডাল Y- অক্ষৰ সমান্তৰাল হৈ পৰে। এই পৰিস্থিতিটোৰ তাৎপৰ্য্য এয়াই যে, নিৰ্দিষ্ট প্ৰকৃত আয়ৰ ক্ষেত্ৰত, মুঠ চাহিদাৰ যিকোনো প্ৰকাৰৰ বৃদ্ধিয়ে কেৱল মূল্যস্তৰহে বৃদ্ধি কৰিব। ইয়াকেই *চাহিদা-জনিত মুদ্রাস্ফীতি* বোলা হয়।

কেইন্সৰ মুদ্রাস্ফীতিগত ব্যৱধান বিশ্লেষণ ঃ এই তত্ত্বটো কেইন্সে তেখেতৰ ১৯৪০ চনত প্রকাশিত 'How to pay for the War' শীর্ষক কিতাপখনত উল্লেখ কৰিছিল। এইটো আছিল মূদ্রাস্ফীতিগত অৱস্থাত তেওঁৰ সাধাৰণ তত্ত্বৰ স্থিৰ সর্বমুঠ চাহিদা আৰ্হি সম্পর্কীয় এটা প্রয়োগ। গাঁথনিগত মূদ্রাস্ফীতিৰ ধাৰণাটো কেইন্সৰ তির্যক ছবিৰ সহায়ত বর্ণনা কৰিব পাৰি।

চিত্র ১০.২ কেইন্সৰ মূদ্রাস্ফীতিগত ব্যবধান



ওপৰোক্ত ১০.২ চিত্রত, ৪৫° ৰেখাডালে আয়-ব্যয়ৰ একেৰূপ তাক দর্শাইছে। অর্থনীতিৰ সর্বমুঠ ব্যয়ক (C+I+G) ৰেখাডালেৰে অঙ্কিত কৰা হৈছে। (Y_f) বিন্দুৱে সম্পূর্ণ নিয়োগ অৱস্থাত হোৱা উৎপাদন আৰু আয়ক দর্শাইছে। আয়ৰ এই স্তৰত, সর্বমুঠ ব্যয় উৎপাদন মূল্য বা সর্বমুঠ যোগানতকৈ বেছি আৰু ইয়াক ab দূৰত্বৰে বুজোৱা হৈছে। গতিকে ab য়ে অতিৰিক্ত চাহিদাক দর্শাইছে যিয়ে সাধাৰণ মূল্যস্তৰক দ্রত গামী কৰে। কেইন্সে ইয়াক মুদ্রাস্ফীতিগত ব্যৱধান বুলি কৈছে। অর্থনীতি এটাত যদি এনেকুৱা মূদ্রাস্ফীতিগত ব্যৱধানৰ উদ্ভব হয় তেন্তে অৱশিষ্ট চাহিদাই মূল্যস্তৰক বাঢ়ি যোৱাত সহায় কৰিব কাৰণ স্বীকার্যৰ ফালৰ পৰা অর্থনীতিটোৰ পক্ষে y_f কৈ বেছি উৎপাদন কৰা সম্ভব নহয়। গতিকে ই এক প্রকাৰৰ চাহিদাজনিত মূদ্রাস্ফীতি কাৰণ ইয়াত অতিৰিক্ত চাহিদাই দৰক উর্ধগামী মাত্রা প্রদান কৰে।


ব্যয়-জনিত মুদ্রাস্ফীতি (Cost push inflation) ঃ ব্যয়-জনিত মুদ্রাস্ফীতিৰ তত্ত্ব অনুসৰি, ব্যয়বৃদ্ধি হৈছে মুদ্রাস্ফীতিৰ কাৰক। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত আৰু তাৰ পাছতো এই তত্ত্ব জনপ্রিয় হৈ পৰিছিল। এই তত্ত্বৰ মূল ধাৰণা এয়ে যে, সামগ্রী তথা সেৱাৰ উচ্চ চাহিদা অবিহনেও মুদ্রাস্ফীতিৰ সৃষ্টি হ'ব পাৰে। অর্থাৎ, এই তত্ত্ব অনুসৰি, চাহিদাৰ মান বৃদ্ধিৰ অবিহনেও কেতবোৰ কাৰকে উৎপাদনৰ ব্যয় বৃদ্ধি কৰিব পাৰে। এই বর্দ্ধিত উৎপাদন ব্যয়ে মুদ্রাস্ফীতি সৃষ্টি কৰিব পাৰে। সাধাৰণতে তিনি প্রকাৰৰ কাৰকে উৎপাদন ব্যয় বৃদ্ধি কৰাটো পৰিলক্ষিত হয় —

(১) মজুৰিৰ হাৰ বৃদ্ধি (মজুৰি জনিত মুদ্রাস্ফীতি), (২) বৰ্দ্ধিত মুনাফা (মুনাফা জনিত মুদ্রাস্ফীতি) আৰু (৩) উৎপাদন ব্যয় প্রেৰক মুদ্রাস্ফীতি। এই তিনিটা পদ্ধতিৰ বিষয়ে তলত আলোচনা কৰা হ'ল।


মজুৰি জনিত মুদ্রাস্ফীতি (Wage-push approach) ঃ মজুৰি-জনিত মুদ্রাস্ফীতিৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে ইয়াৰ অন্তর্নিহিত কথা কেইটামান আলোচনা কৰোঁ আহক। প্রথম কথাটো হ'ল —যিবোৰ উদ্যোগত বিক্রেতাসকলে উৎপাদিত সামগ্রীৰ মূল্য আৰু মজুৰি নির্ণয়ৰ ক্ষেত্রত স্ব-ইচ্ছাৰে ক্ষমতা প্রয়োগ কৰিব পাৰে, সেইসমূহত মজুৰি-জনিত মুদ্রাস্ফীতিৰ সৃষ্টি হয়। দ্বিতীয়তে, মজুৰিৰ হাৰ বৃদ্ধি হয় 'ট্রেড ইউনিয়ন' অর্থাৎ শ্রমিক সন্থাসমূহে নিৰৱচ্ছিন্নভাৱে প্রদান কৰি থকা চাপৰ ফলস্বৰূপে (ই উদ্যোগৰ উৎপাদন বৃদ্ধিৰ ফলাফল নহয়)। ধৰা হওঁক, কাৰখানাৰ মালিকে উৎপাদিত চূড়ান্ত সামগ্রীৰ মূল্য বৃদ্ধি কৰিলে। এয়া কেঁচা সামগ্রীৰ দাম অথবা মজুৰিৰ হাৰ বৃদ্ধিৰ বাবে হ'ব পাৰে। সামগ্রী আৰু সেৱাৰ এই মূল্য বৃদ্ধিয়ে মজদুৰ সকলৰ জীৱন ধাৰণৰ মানদণ্ডৰ ওপৰত যথেষ্ট প্রভাৱ পেলায়। ফলস্বৰূপে শ্রমিক সন্থাই তেওঁলোকৰ মজুৰি বৃদ্ধি কৰিবৰ বাবে কাৰখানাৰ মালিকৰ ওপৰত অধিক চাপ প্রয়োগ কৰিব, যাতে তেওঁলোকৰ প্রকৃত আয়ৰ ওপৰত মূল্যবৃদ্ধিৰ কোনো প্রভাৱ নপৰে। ইয়াৰ ফলত সামগ্রী তথা সেৱাসমূহৰ মূল্য অধিক বৃদ্ধি হ'ব আৰু মূল্যস্তৰ উচ্চ পর্যায়লৈ গতি কৰিব। এনেদৰে মুদ্রাস্ফীতিৰ প্রক্রিয়া অব্যাহত হৈ থাকে আৰু প্রতিবাৰে মুদ্রা আৰু মজুৰি বৃদ্ধি (অর্থাৎ, ব্যয় বৃদ্ধি)-এ মূল্যস্তৰ উচ্চ পর্যায়লৈ বৃদ্ধি কৰি থাকে। মন কৰিবলগীয়া যে, মূল্যস্তৰৰ এনে বৃদ্ধিৰ সম্পূর্ণ প্রক্রিয়াটোত অৱশ্যে অতিৰিক্ত চাহিদাৰ চাপ সম্পূর্ণৰূপে অনুপস্থিত হৈ থাকে।

অর্থবিজ্ঞানীসকলৰ মতে, এনেধৰণৰ মুদ্রাস্ফীতিয়ে নিয়োগ প্রক্রিয়াৰ ওপৰত যথেষ্ট প্রভাৱ পেলায়। মজুৰিৰ বৰ্দ্ধিত হাৰ আৰু তাৰ ফলত বৃদ্ধি পোৱা মূল্যস্তৰে উৎপাদন (output) আৰু নিয়োগ চক্রটোৰ প্রতিটো স্তৰতে নিয়োগ আৰু উৎপাদনৰ পৰিমাণ ক্রমান্বয়ে হ্রাস কৰে। এই ধাৰণাটো তলৰ চিত্র ১০.৩ৰ সহায়ত ব্যাখ্যা কৰা হৈছে।

চিত্র ১০.৩ ব্যয় জনিত মুদ্রাস্ফীতি



উপৰুক্ত চিত্রটিত দেখিবলৈ পোৱা গৈছে যে, S_0S আৰু D_0 ৰেখাৰ জৰিয়তে ক্রমে গড যোগানৰ প্রাৰম্ভিক স্তৰ আৰু চাহিদাক সূচোৱা হৈছে। এই অৱস্থাত



য়াগৰ স্তৰ আৰু OP_0 হৈছে মূল্যস্তৰ। এতিয়া, াগে লগে (যি শ্রম আৰু উৎপাদন বৃদ্ধিৰ বাবে হ চাপৰ বাবেহে হৈছে), S_1S হৈ পৰে নতুন া স্থিৰ, সেয়ে, এই বর্দ্ধিত হাৰৰ মজুৰিৰ ফলত স্তৰৰ এই বৃদ্ধিয়ে নিয়োগৰ স্তৰক OY_0 ৰ পৰা াতে, এই মূল্যবৃদ্ধিয়ে মজদুৰসকলৰ প্রকৃত আয়ৰ লত শ্রমিক সস্থাসমূহে তেওঁলোকৰ মজুৰিৰ হাৰ ৰত চাপ প্রয়োগ কৰিব (যাতে শ্রমিকসকলৰ ৰ নপৰে)। অর্থাৎ মজুৰিৰ হাৰ বৃদ্ধিৰ লগে লগে ল স্থানান্তৰিত হ'ব। ফলস্বৰূপে গঢ় চাহিদাৰ স্তৰ একেই থকা অৱস্থাত, উৎপাদন আৰু নিয়োগৰ স্তৰ OY_1 ৰ পৰা OY_2 লৈ অৱনমিত হ'ব। মূল্যস্তৰৰ এনেধৰণৰ পৰিবর্তনে অর্থনীতিত ব্যয় জনিত মুদ্রাস্ফীতিৰ সৃষ্টি কৰে।

অৱশ্যে এই চক্রটো এক অনির্দিষ্ট সময়ৰ বাবে (অথবা দীর্ঘকাললৈ) বর্ত্তি নাথাকে। কাৰণ, নিয়োগ হ্রাস হ'লে (অথবা নিবনুৱা বৃদ্ধি হ'লে) শ্রমিকসকল আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত যথেষ্ট প্রভাৱ পৰিব। শ্রমিসকলৰ সন্তানসকল নিবনুৱা হৈ থাকিব। ইয়েই শ্রমিক সস্থাসমূহক কাৰখানাৰ মালিক পক্ষক মজুৰিৰ হাৰ বৃদ্ধিৰ

বাবে চাপ দিয়াৰ ক্ষেত্ৰত বাধা দিব পাৰে।

মুনাফা-প্ৰেৰক মূদ্ৰাস্ফীতি (Profit-push inflation) ঃ মুনাফা-প্ৰেৰক মূদ্ৰাস্ফীতি অকলমাত্ৰ সেইবিলাক দৰৰ ক্ষেত্ৰতে প্ৰযোজ্য হয় যাক প্ৰশাসনীয় ভাৱে স্থিৰ কৰিব পাৰি বা যাক বজাৰ প্ৰক্ৰিয়াত নিৰ্ণয় কৰা নহয়। এনে ধৰণৰ প্ৰশাসনীয় ভাবে নিৰ্ণিত দৰৰ ক্ষেত্ৰত ব্যৱসায়ীসকলে সাধাৰণতে শ্ৰম আৰু উৎপাদন ব্যয়ৰ প্ৰতি একক উৎপাদন সাপেক্ষে এক উচ্চসীমাসম্পন্ন দৰ (mark up price) ধৰি লয় যাতে এটা পূৰ্বনিৰ্দ্ধাৰিত প্ৰত্যাৱৰ্তনৰ হাৰ পাব পাৰি। এনে ধৰণৰ দৰ নিৰ্দ্ধৰণ প্ৰক্ৰিয়া স্বল্পাধিকাৰ ব্যৱসায়িক প্ৰতিস্থান বা আন ব্যৱসায়িক প্ৰতিস্থান যিয়ে নিজ নিজ উদ্যোগৰ মাজত বজাৰ ক্ষমতা (market power) উপভোগ কৰে, তেনে প্ৰতিষ্ঠানৰ মাজতহে দেখা যায়। উচ্চসীমা সম্পন্ন দৰ বঢ়াৰ লগে লগে প্ৰশাসনীয় ভাৱে নিৰ্ণিত দৰ বাঢ়ে আৰু ইয়াকে মুনাফা প্ৰেৰক মূদ্ৰাস্ফীতি বুলি কোৱা হয়। আৰম্ভনিতে যদিও কিছুমান শক্তিশালী প্ৰতিষ্ঠানে ইয়াক আৰম্ভ কৰা দেখা যায় কিন্তু পিছৰ ফালে আন আন প্ৰতিষ্ঠানেও এনে ধৰণৰ উচ্চ সীমা সম্পন্ন দৰ নিৰ্দ্ধাৰণৰ মাজেৰে নিজৰ নিজৰ মুনাফা স্থিৰ কৰে। এনে ব্যৱস্থাই যেতিয়া গতি লাভ কৰে মুনাফা কুণ্ডলীৰ (Profit-profit spiral) সৃষ্টি হয়।

উপাদান ব্যয়-প্ৰেৰক মূদ্ৰাস্ফীতি (Material cost- push inflation) ঃ ঘৰুৱা স্বতন্ত্ৰ প্ৰেৰক উপাদান বা স্বতন্ত্ৰ আন্তৰাষ্ট্ৰীয় উন্নতিৰ বাবে কিছুমান মূল উপাদান যেনে অশোধিত তেল, তীখা, দৰকাৰী ৰাসায়নিক দ্ৰব্য আদিৰ দৰ বাঢ়ে। সেই ধৰণৰ সামগ্ৰীবোৰ প্ৰত্যক্ষ বা পৰোক্ষভাবে উৎপাদন কাৰ্যৰ বাবে অপৰিহাৰ্য। সেয়েহে তেনে সামগ্ৰীবোৰৰ দৰ বৃদ্ধিয়ে প্ৰায় সকলোবোৰ উদ্যোগৰ ব্যয় গাঠনিক প্ৰভাবান্বিত কৰে। ইয়াৰ ফলস্বৰূপে দৰ (বজাৰ নিৰ্দ্ধাৰিত হওঁক বা প্ৰশাসনীয়ভাবে নিৰ্দ্ধাৰিত হওঁক) ঊৰ্দ্ধগামী হয়। সময়ে সময়ে হৈ থকা এনে ধৰণৰ মূল উপাদানৰ দৰ বৃদ্ধিয়ে সাধাৰণ বিয়পন প্ৰক্ৰিয়ামতে সাধাৰণ মূল্যস্তৰক অবিৰামবাৰে বঢ়াই গৈ থাকে আৰু ইয়াকে উপাদান ব্যয়-প্ৰেৰক মূদ্ৰাস্ফীতি বুলি কোৱা হয়। ভাৰতীয় অৰ্থনীতিত এনে ধৰণৰ মূদ্ৰাস্ফীতিৰ প্ৰকোপ সময়ে সময়ে প্ৰতিফলিত হৈ আহিছে। উদাহৰণ স্বৰূপে ভাৰতীয় অৰ্থনীতিত ২০০৭ চনৰ প্ৰথম চতুৰ্থাংশৰ পৰা ২০০৮ চনৰ তৃতীয় চতুৰ্থাংশলৈ দেখা দিয়া মুদ্ৰাস্ফীতিক এনেধৰণৰ মুদ্ৰাস্ফীতি বুলি ক'ব পাৰি।



জনা উচিত

মূল্যস্তৰ বৃদ্ধিৰ হাৰৰ ওপৰত নিৰ্ভৰ কৰি মুদ্ৰাস্ফীতি বিভিন্ন প্ৰকাৰে শ্ৰেণীবিভাগ কৰিব পাৰি। যথা—

বগাই যোৱা বা দীৰ্ঘবৰ্ত্তি মুদ্ৰাস্ফীতি (Creeping or persistent inflation) ঃ মুদ্ৰাস্ফীতিৰ এই প্ৰকাৰটো আটাইতকৈ নিৰ্জু। মুদ্ৰাস্ফীতি

(অর্থাৎ মূল্যবৃদ্ধি)-ৰ হাৰ এক দশকত ১০% (অর্থাৎ বছৰি ১%) বা তাতকৈ কম হ'লে এই ধৰণৰ মুদ্রাস্ফীতিৰ উদ্ভৱ হয়। এই ধৰণৰ মুদ্রাস্ফীতিয়ে অর্থনীতিটোৰ ওপৰত কোনো ধৰণৰ প্রভাৱ নেপেলায়।

চলন্ত মুদ্রাস্ফীতি (Walking inflation) ঃ দীর্ঘবর্ত্তি মুদ্রাস্ফীতিৰ তুলনাত এই বিধ মুদ্রাস্ফীতি বেছি গুৰুতৰ। মুদ্রাস্ফীতি বা মূল্যবৃদ্ধিৰ হাৰ এক দশকত ৩০% ৰ পৰা ৪০% (অর্থাৎ, বছৰি ৩% ৰ পৰা ৪%)ৰ ভিতৰত হ'লে এই ধৰণৰ মুদ্রাস্ফীতিৰ উদ্ভৱ হয়। এই ধৰণৰ মুদ্রাস্ফীতিয়ে অর্থনীতিটোলৈ অশনি সংকেত কঢ়িয়াই আনে।

ধাৱমান মুদ্রাস্ফীতি (Running inflation) ঃ এই বিধ মুদ্রাস্ফীতি চলন্ত মুদ্রাস্ফীতিতকৈও গুৰুতৰ। মূল্যবৃদ্ধিৰ স্তৰ দশকটোৰ ভিতৰত যদি ১০০% বা বার্ষিক ১০%) পর্যন্ত বৃদ্ধি হয়, তেতিয়া এই ধৰণৰ মুদ্রাস্ফীতিৰ উদ্ভৱ হয়। ই অর্থনীতিটোত গুৰুতৰ প্রভাৱ পেলাব পাৰে।

দূৰন্ত গতিত ধাৱমান মুদ্রাস্ফীতি (Galloping or hyper inflation) ঃ মুদ্রাস্ফীতিৰ বিভিন্ন প্রকাৰসমূহৰ ভিতৰত ই আটাইতকৈ গুৰুতৰ। প্রথম বিশ্ব যুদ্ধৰ অন্তত জার্মানী আৰু দ্বিতীয় বিশ্ব যুদ্ধৰ অন্তত চীন আৰু হাঙ্গেৰীত এই বিধ মুদ্রাস্ফীতিৰ উদ্ভৱ হৈছিল। এনে মুদ্রাস্ফীতিৰ কালছোৱাত, অতি দুৰন্তৰ গতিত আৰু উল্লেখনীয় মাত্রাত মুদ্রাস্ফীতি বৃদ্ধি পায়। আনকি, সাধাৰণ সামগ্রী এপদৰ মূল্যও আকাশলংঘী হ'ব পাৰে। মুদ্রা সম্পূর্ণ মূল্যহীন হৈ পৰে। এনে ক্ষেত্রত, মূল্যবৃদ্ধিৰ পৰিমাণ দশকটোত ১০০% (বার্ষিক ১০%) ত কৈও অধিক হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক ।

(ক) ব্যয়-জনিত মুদ্রাস্ফীতিক *'অতিৰিক্ত পৰিমাণৰ মুদ্রা অতি কম সংখ্যক সামগ্রীৰ পিছত ঘূৰি ফুৰিছে'*— বুলিও জনা যায়। (শুদ্ধ/অশুদ্ধ)

(খ) ক্রাউথাৰে মুদ্রাস্ফীতিক *'মূল্যস্তৰ বৃদ্ধিৰ এক স্থিৰ আৰু দীর্ঘম্যাদী প্রক্রিয়া'* ৰূপে ব্যাখ্যা কৰিছে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ চাহিদাজনিত মুদ্রাস্ফীতি বুলিলে কি বুজে? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৩ ঃ বগাই যোৱা বা দীর্ঘবর্ত্তি মুদ্রাস্ফীতি বুলিলে কি বুজে? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১০.৪ মুদ্রাস্ফীতিৰ প্রভাৱ আৰু মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উপায়

এই শাখাত আমি মুদ্রাস্ফীতিৰ প্রভাৱ আৰু নিয়ন্ত্রণৰ উপায় সম্বন্ধে আলেচনা কৰিম।

১০.৪.১ মুদ্রাস্ফীতিৰ প্রভাৱ

মুদ্রাস্ফীতি সদায়েই ধ্বংসকাৰী বুলিব নোৱাৰি; বিশেষকৈ যেতিয়ালৈকে ইয়াৰ ফলত অর্থনীতিত উৎপাদনৰ উৎপাদকসমূহৰ নিয়োগ বৃদ্ধি পায়। অৱশ্যে তাৰ ব্যতিৰেকে, অর্থনীতিটোত ইয়াৰ বিৰূপ প্রভাৱ পৰে। মুদ্রাস্ফীতিৰ মূল প্রভাৱসমূহ তলত আলোচনা কৰা হ'ল —

- **উৎপাদনৰ ওপৰত প্রভাৱ ঃ** অর্থনীতিত যেতিয়ালৈকে অব্যৱহৃত সম্পদ থাকে, তেতিয়ালৈ এক মৃদু মুদ্রস্ফীতিয়ে ব্যৱসায়ত অধিক বিনিয়োগ কৰিবলৈ উৎসাহিত কৰে। কিন্তু যেতিয়া অর্থনীতিটো পূর্ণ নিয়োগৰ স্তৰত উপনীত হয়, তেতিয়া এক মৃদু মুদ্রাস্ফীতিয়েও অতি কম সময়ৰ ভিতৰতেই উচ্চ স্তৰৰ মুদ্রীস্ফীতিলৈ পৰিবর্তিত হ'ব পাৰে। মুদ্রাস্ফীতিয়ে অর্থনীতিৰ উৎপাদন কার্যৰ ওপৰত যথেষ্ট প্রভাৱ পেলায়। ই অর্থনীতিৰ মূল্য, কার্যপ্রণালী আৰু মূলধন নির্মাণক ক্ষতিগ্রস্ত কৰে। আনহাতে গুপ্ত মজুতকৰণ, লাভকল্পী ব্যৱসায় ইত্যাদিৰ দৰে ক্ষতিকাৰক আৰু অনৈতিক কার্যকলাপ বৃদ্ধি হয়।
- **বিতৰণৰ ওপৰত প্রভাৱ ঃ** মুদ্রাস্ফীতিয়ে আয় আৰু সম্পদৰ পুনৰ বিতৰণ (Redistribution)ৰ ওপৰত যথেষ্ট বিৰূপ প্রভাৱ পেলায়। মুদ্রাস্ফীতিৰ ফলত মুদ্রাৰ মূল্য নিম্নগামী হয়। ধনী শ্রেণীৰ তুলনাত সমাজৰ দুখীয়া শ্রেণীৰ লোক অধিক ক্ষতিগ্রস্ত হয়। মূল্যবৃদ্ধিয়ে ব্যৱসায়ী, গুপ্ত মজুতকাৰী, লাভকল্পী ব্যৱসায়ী আৰু চোৰাং বেপাৰী আদিক অধিক মুনাফা আদায় কৰাত সহায় কৰে। কিন্তু নির্দিষ্ট আয় অর্জনকাৰী (দৰমহা পোৱা ব্যক্তি) তথা দুখীয়া শ্রেণীৰ লোকক বেয়াকৈ ক্ষতিগ্রস্ত কৰে। অর্থাৎ, মুদ্রাস্ফীতিৰ ফলত আয়ৰ পুনৰ বিতৰণ ধনী শ্রেণীৰ সপেক্ষে হোৱাৰ ফলত সামাজিক ক্ষমতা আৰু ন্যায় সম্পর্কীয় গভীৰ সমস্যাৰ সৃষ্টি কৰে।
- **ঋণী আৰু ঋণদাতা ঃ** মুদ্রাস্ফীতিৰ সময়ছোৱাত দেখা যায় যে ঋণদাতাসকলৰ

লোকচান আৰু ঋণীসকলৰ লাভ হয়। কাৰণ মুদ্রাস্ফীতিৰ ফলত মুদ্রাৰ মূল্য হ্রাস হয়। ঋণদাতাই ঋণ প্রদান কৰোঁতে এক নির্দিষ্ট হাৰৰ সুদ বান্ধি দিয়ে। কিন্তু মুদ্রাৰ মূল্য হ্রাস হোৱাৰ লগে লগে তেওঁৰ লোকচান হয় । উদাহৰণস্বৰূপে, ধৰা হ'ল 'ক' ই 'খ' ক ২০০৮ চনৰ ১ জানুৱাৰী তাৰিখে এহাজাৰ (১০০০) টকা ধাৰলৈ দিলে। এই ঋণ ৮ % (শতাংশ) বছেৰেকীয়া সুদৰ হাৰত দিয়া হৈছে। 'খ' ই সুদ আৰু মূলসহ ২০০৯ চনৰ ৩০ জুনত পৰিশোধ কৰিলে; অর্থাৎ 'খ' ই মুঠ ১১২০ টকা (মূল ১০০০ টকা + সুদ ১২০ টকা) জুনৰ ৩০ তাৰিখে পৰিশোধ কৰিলে। কিন্তু একেসময়তে মূল্যস্তৰ বছেৰেকত ১০ শতাংশ হাৰত বৃদ্ধি হ'ল। অর্থাৎ কোনো সামগ্রী ক্রয় কৰিবলৈ 'ক' ই ২০০৮ ৰ জানুৱাৰীত যদি ১০০০ টকা দিবলগীয়া হৈছিল তেন্তে ২০০৯ ৰ জুনত তেওঁ একেটা সামগ্রীৰ বাবে ১,১৫০ টকা দিব লাগিব। সেয়ে 'ক' ৰ মুদ্রাৰ ক্রয় ক্ষমতাৰ আধাৰত লোকচান হ'ব। কিন্তু 'খ' ৰ এই ক্ষেত্রত লাভ হ'ব কাৰণ তেওঁ 'ক' লৈ কম পৰিমাণৰ ***ক্রয় ক্ষমতা*** পৰিশোধ কৰিলে।



ক্রয় ক্ষমতা ঃ কোনো এক নিদিষ্ট পৰিমাণৰ টকাৰ বিনিময়ত কিনিব পৰা সেৱা বা সামগ্রীৰ পৰিমাণ

- **কৃষিজীৱি ঃ** মুদ্রাস্ফীতিৰ সময়ত কৃষিজীৱি সকলৰ লাভ হয় কাৰণ তেওঁলোকৰ আয় বৃদ্ধি হয় (যিহেতু খাদ্য সামগ্রীৰ দাম বৃদ্ধি হয়)। আনহাতে তেওঁলোকৰ আদায় দিবলগীয়া ধনৰ পৰিমাণৰ পৰিবর্ত্তন নহয়, বা অতি কম পৰিমাণেহে বৃদ্ধি পায়। যেতিয়া খেতি কৰাৰ সময়ত লোৱা ঋণৰ পৰিশোধ কৰিবলগীয়া হয় তেতিয়া তেওঁ আগতে উল্লেখ কৰা 'খ'ৰ উদাহৰণৰ দৰে লাভত থাকে। একেদৰে, তেওঁ যদি আয়কৰ দিবলগীয়া হয়, তেন্তে তেওঁ কম পৰিমাণে ব্যয় কৰিব লাগে (কাৰণ বিত্তীয় বর্ষৰ আৰম্ভণিতে কৰৰ হাৰ নির্দ্ধাৰণ কৰি দিয়া হয়)।
- **উদ্যোগকাৰী ঃ** কৃষিজীৱিসকলৰ দৰে উদ্যোগকাৰীসকলৰো মুদ্রাস্ফীতিৰ সময়ছোৱাত মুনাফা হয়। মূল্যবৃদ্ধিৰ ফলস্বৰূপে, নিজৰ উৎপাদিত সামগ্রীসমূহৰ বাবে তেওঁলোকে অধিক মূল্য লাভ কৰে। ইয়ে উদ্যোগকাৰীসকলৰ লাভালাভ বৃদ্ধি কৰে আৰু তেওঁলোকক অধিক বিনিয়োগ কৰিবলৈ উৎসাহ দিয়ে। আনহাতে ব্যৱসায় চলাবলৈ অথবা বৃদ্ধি কৰিবলৈ যদি তেওঁলোকে ঋণ লয় সেই ক্ষেত্রতো তেওঁলোকৰ লাভ হয়।
- **মজদুৰ (বনুৱা) ঃ** বনুৱাসকল মুদ্রাস্ফীতিৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্রস্ত হয়। মুদ্রাস্ফীতিৰ হাৰ বৃদ্ধি হ'লে জীৱনধাৰণৰ ব্যয়ো বৃদ্ধি হয়। কিন্তু সেই অনুপাতে মজুৰিৰ হাৰ বৃদ্ধি নহয়। আনহাতে মুদ্রাস্ফীতিৰ ফলত বিভিন্ন সামগ্রীৰ বিভিন্ন হাৰত মূল্য বৃদ্ধি হয়। কিছুমান সামগ্রীৰ মূল্য অধিক পৰিমাণে আৰু কিছুমানৰ মূল্য সামান্য বৃদ্ধি পায়। যদি মজুৰিৰ হাৰ ***জীৱন ধাৰণৰ ব্যয় সূচাংকৰ*** বৃদ্ধিৰ সমানুপাততো বৃদ্ধি কৰা হয়, তথাপিও বনুৱাসকলক ই সম্পূর্ণ সহায় কৰিব



জীৱন ধাৰণৰ ব্যয় সূচাংকঃ জীৱন ধাৰণৰ ব্যয় পৰিমাণ কৰা এক আহিলা। এয়া যোৱা বছৰৰ তুলনাত এই বছৰৰ বৃদ্ধিৰ হাৰৰ শতাংশ হিচাপে প্রকাশ কৰা হয়। এয়া উপভোক্তাৰ দৰ সূচাংকৰ সৈতে প্রায় একে; কেৱল পার্থক্যটো হ'ল এই সূচাংক কিছুমান অতিৰিক্ত ধাৰণা— যেনে, বন্ধকীৰ ওপৰত সুত আদি অন্তর্ভুক্ত কৰা হয়।

নোৱাৰে। ইয়াৰ কাৰণ এয়াই যে জীৱন ধাৰণৰ ব্যয় সূচাংকত মজুত নথকা কোনো গুৰুত্বপূর্ণ (মৌলিক) সামগ্রীৰ মূল্য হঠাতে বৃদ্ধি হৈ গ'লে বনুৱাসকলৰ প্রকৃত আয়ৰ ওপৰত বেয়াকৈ প্রভাৱ পৰিব। পূর্বৰ সঞ্চয়ৰ প্রকৃত মূল্যও মুদ্রাস্ফীতিৰ সময়ত হ্রাস পায়। ই বনুৱাসকলৰ ওপৰতো বিৰূপ প্রভাৱ পেলায়।

১০.৪.২ মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উপায়

মুদ্রাস্ফীতিৰ বহুতো ঋণাত্মক দিশ আছে, সেয়ে প্রতিখন চৰকাৰে ইয়াক নিয়ন্ত্রণ কৰিব বিচাৰে। মুদ্রাস্ফীতিয়ে বহুতো অর্থনীতি ধ্বংস কৰিছে। উদাহৰণস্বৰূপে, ১৯২৩ চনত জার্মানীত সৃষ্টি হোৱা মুদ্রাস্ফীতিয়ে দেশখনৰ অর্থনৈতিক ব্যৱস্থাক ধ্বংস কৰি পেলাইছিল। তলত দিয়া উপায়সমূহ অৱলম্বন কৰি মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিব পাৰি ঃ

- **ৰাজহ সম্পর্কীয় ব্যৱস্থা (Fiscal measures) ঃ** তলত উল্লিখিত ৰাজহসম্পর্কীয় ব্যৱস্থাসমূহ গ্রহণ কৰি মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিব পৰা যায় ঃ
  - **অলাগতিয়াল ব্যয় হ্রাস কৰা ঃ** মুদ্রাস্ফীতিৰ সময়ছোৱাত চৰকাৰে উন্নয়ন ক্ষেত্রৰ অলাগতিয়াল ব্যয় হ্রাস কৰিব লাগে। ইয়াৰ জৰিয়তে অর্থনীতিটোলৈ প্রৱাহিত হৈ থকা মুদ্রাৰ অতিৰিক্ত প্রচলন ৰোধ কৰিব পাৰে।
  - **কৰৰ হাৰ বৃদ্ধি কৰা ঃ** কৰৰ হাৰ, বিশেষকৈ বিলাসী সমগ্রীৰ ওপৰত কৰ, কোম্পানীৰ কৰ ইত্যাদি বৃদ্ধিৰ দ্বাৰা মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিব পাৰি। আনহাতে সঞ্চয়ৰ ওপৰত অধিক হাৰত সুদ দিলেও মুদ্রস্ফীতি ৰোধ কৰিব পৰা যায়, কিয়নো তেনেস্থলত নাগৰিকসকলে ব্যয়ৰ পৰিমাণ হ্রাস কৰিব আৰু সঞ্চয়ৰ পৰিমাণ বৃদ্ধি পাব। কেইন্সে এই ক্ষেত্রত কৈছে যে, সঞ্চয় বৃদ্ধিৰ বাবে বাধ্যতামূলক সঞ্চয় ব্যৱস্থাৰ (তেওঁ এই পদ্ধতিক *বিলম্বিত পৰিশোধ (deferred payment)* বুলি অভিহিত কৰিছিল) প্রচলন কৰা উচিত আৰু অর্থনীতিলৈ মুদ্রাৰ যোগান হ্রাস কৰা উচিত।
  - **ৰাহি বাজেট (Surplus budget) ঃ** চৰকাৰে মুদ্রাস্ফীতিৰ সময়ত ৰাহি বাজেট (অর্থাৎ ব্যয়ৰ পৰিমাণতকৈ অধিক ৰাজহ সংগ্রহ) প্রস্তুত কৰা উচিত। ৰাহি বাজেট এখন প্রস্তুত কৰাটো হৈছে এক গুৰুত্বপূর্ণ ৰাজহ সম্পর্কীয় ব্যৱস্থা।
  - **চৰকাৰী ঋণ ঃ** মুদ্রাস্ফীতি ৰোধ কৰাৰ আন এক উল্লেখযোগ্য উপায় হৈছে চৰকাৰী ঋণ আদায়ৰ সময় পিছুৱাই দিয়া। যেতিয়া চৰকাৰে চৰকাৰী ঋণ আদায় দিয়াৰ সময়সীমা বৃদ্ধি কৰে, তেতিয়া অর্থনীতিত থকা মুঠ তাৰল্য (Liquidity) ৰ পৰিমাণ হ্রাস পায়।
- **মৌদ্রিক ব্যৱস্থা** (Monetary measures) ঃ মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিবৰ বাবে

তলত উল্লিখিত মৌদ্রিক ব্যৱস্থাসমূহ গ্রহণ কৰিব পৰা যায় —

- **ঋণ নিয়ন্ত্রণ ঃ** দেশখনৰ কেন্দ্রীয় বেংকে অর্থনীতিত থকা তাৰল্যৰ পৰিমাণ হ্রাস কৰিবলৈ বিভিন্ন ঋণ নিয়ন্ত্রণ ব্যৱস্থা হাতত ল'ব পাৰে। এই সমূহৰ ভিতৰত বেংকৰ হাৰ আৰু সংৰক্ষণৰ অনুপাত বৃদ্ধি কৰা, মুক্ত বজাৰত চৰকাৰী চিকিউৰিটী বিক্রী কৰা ইত্যাদি উল্লেখযোগ্য।
- **নতুন মুদ্রাৰ প্রচলন ঃ** মৌদ্রিক ব্যৱস্থাৰ অর্ন্তগত ই হৈছে এক চুড়ান্ত ব্যৱস্থা। এই ব্যৱস্থাত পুৰণি কাগজীমুদ্রাৰ বিনিময়ত নতুন কাগজী মুদ্রা প্রচলন কৰা হয়। ইয়াৰ ফলত বেংকৰ মুঠ আমানত মূল্যৰো পৰিবর্ত্তন ঘটে। অতি উচ্চ পর্যায়ৰ মুদ্রাস্ফীতিৰ ক্ষেত্রতহে এনে ব্যৱস্থা গ্রহণ কৰা হয়।

➢ **অন্যান্য ব্যৱস্থা ঃ** মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিবলৈ গ্রহণ কৰা অন্যান্য ব্যৱস্থাসমূহ এনে ধৰণৰ—

- **উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধি কৰাঃ** মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰাৰ আন এক গুৰুত্বপূর্ণ উপায় হৈছে অত্যাৱশ্যকীয় সামগ্রীৰ উৎপাদন বৃদ্ধি আৰু সংশ্লিষ্ট উৎপাদন ব্যৱস্থাটোৰ উৎপাদনশীলতা বৃদ্ধি কৰা। অত্যাৱশ্যকীয় সামগ্রীৰ বর্দ্ধিত উৎপাদনে তেনে সামগ্রীৰ মূল্য বৃদ্ধি হোৱাত বাধা দিব। আকৌ উৎপাদনশীলতা বৃদ্ধিৰ দ্বাৰা উৎপাদনৰ খৰছ হ্রাস কৰিব পৰা যায়।
- **মূল্য নিয়ন্ত্রণ ঃ** অত্যাৱশ্যকীয় সামগ্রীৰ মূল্য নিয়ন্ত্রণ (অর্থাৎ বিক্রী দৰৰ উচ্চস্তৰ সীমা নির্ধাৰণ) কৰিও অর্থনীতিত মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিব পাৰি। ইয়াৰ জৰিয়তে অর্থনীতিৰ ওপৰত থকা মুদ্রাস্ফীতি জনিত চাপ হ্রাস কৰাৰ লগতে নাগৰিকসকলৰ জীৱন ধাৰাণৰ মানদণ্ড অক্ষুণ্ণ ৰাখিব পাৰি।
- **স্থিৰ মজুৰি নীতি ঃ** কেতিয়াবা মুদ্রাস্ফীতি নিয়ন্ত্রণ কৰিবলৈ স্থিৰ মজুৰি নীতি (Wage freeze policy) ও অৱলম্বন কৰা হয়। অর্থাৎ শ্রমিক সন্থাসমূহক এক নির্দিষ্ট সময়ছোৱাত মজুৰি বৃদ্ধি নিবিচাৰিবলৈ অনুৰোধ কৰা হয়।

অৱশ্যে উপৰুক্ত ব্যৱস্থাসমূহ চৰকাৰে কিমান কুশলতাৰে প্রয়োগ কৰিব পাৰে, তাৰ ওপৰতহে এই ব্যৱস্থাসমূহৰ সফলতা নির্ভৰ কৰে।

১০.৫ গাঁথনিগত মূদ্রাষ্ফীতি (Structural Inflation)

উন্নয়নশীল দেশৰ লগত জড়িত মূদ্রাষ্ফীতিক গাঁথনিগত মূদ্রাষ্ফীতি বুলি কোৱা হয় কাৰণ এনে মূদ্রাষ্ফীতি সেই দেশবোৰৰ গঠনৰ লগত জড়িত। ১৯৫০ দশকৰ আৰম্ভনিতে বিভিন্ন অর্থনীতিবীদ যেনে মাৰডেল (Myrdal), ষ্ট্রিটেন (Streeten) আৰু আন

কিছুমান লেটিন আমেৰিকীয় অর্থনীতিবীদে গাঁথনিগত মূদ্রাস্ফীতিৰ ধাৰণাটোত বৰঙণি আগবঢ়াইছিল। উন্নত দেশবোৰত হোৱা মূদ্রাস্ফীতি সম্পূর্ণ নিয়োগ নীতি আৰু শ্রম বজাৰে এনে ধৰণৰ নীতিক কৰা প্রতিক্রিয়াৰ ওপৰত প্রতিষ্ঠিত কিন্তু উন্নয়নশীল দেশত দেখা দিয়া মূদ্রাস্ফীতি জড়িত হয় সেইদেশবোৰে লোৱা উন্নয়নমূলক পদক্ষেপ আৰু সেই দেশবোৰে সন্মূখীন হোৱা গাঁথনিগত স্থবিৰতা আৰু প্রতিবন্ধকতাৰ লগত। তাৰোপৰি উন্নয়নশীল দেশবোৰৰ অর্থ-সামাজিক গাঁথনি উন্নত দেশবোৰতকৈ বেলেগ যিবোৰে এনে মূদ্রাস্ফীতিৰ উৎস আৰু চৰিত্র নির্ণয় কৰে। এনেবোৰ দেশত দেখা দিয়া গাঁথনিগত স্থবিৰতাৰ কাৰণবোৰ তলত দিয়া ধৰণৰ ঃ

- **সম্পদ ব্যৱধান ঃ** উন্নয়নশীল দেশত ৰাজহুৱা ব্যয় যথেষ্ঠ হোৱাৰ বাবে ইয়াক ৰাজহুৱা আয় (কৰ, ঋণ আৰু চৰকাৰী প্রতিষ্ঠানৰ লাভৰ মাধ্যমেৰে অহা আয়) ৰ জৰিয়তে পূৰাব নোৱৰি। সেয়েহে এনে দেশবোৰে ঘাটি বাজেটৰ আশ্রয় ল'ব লগা হয়। ইয়াৰ ফলত বছৰিবছৰি মাত্রাধিক মূদ্রাৰ যোগানৰ সৃষ্টি হয় যিয়ে মূদ্রাস্ফীতিক ইন্ধন যোগায়।
- **খাদ্যপ্রতিবন্ধকতা ঃ** উন্নশীল দেশৰ বিভিন্ন গাঁথনিগত চৰিত্র যেনে ত্রূটিপূর্ণ ভূমিৰ মালিকীস্বত্ব, ৰায়তি স্বত্ব, কাৰিকৰীগত অনগ্রসৰতা আৰু কৃষিত কম বিনিয়োগ আদিয়ে ঘৰুৱা খাদ্যৰ যোগান বৃদ্ধিত বাধা হৈ থিয় দিছে যদিও খাদ্যৰ চাহিদা বাঢ়ি গৈয়ে আছে কাৰণ জনসংখ্যা আৰু নগৰীয়াকৰণ প্রক্রিয়া বাঢ়ি গৈয়ে আছে। কৃষিকার্য্য বতৰৰ ওপৰত নির্ভৰশীল হোৱাৰ বাবে খৰাং আৰু বানপানীৰ সময়ত ই যথেষ্ঠে ক্ষতিগ্রস্ত হয়। তাৰ ফলত খাদ্যৰ যোগানত নাটনি হৈ খাদ্যসংকতে দেখা দিয়ে আৰু খাদ্যৰ মূল্যস্তৰ বৃদ্ধি পাবলৈ ধৰে। তাৰোপৰি ব্যৱসায়ীসকলে সৃষ্টি কৰা গোপন মজুতে খাদ্যৰ মূল্যবৃদ্ধিত দুগুণ উৎসাহ যোগায়। এনে খাদ্যৰ মূল্যবৃদ্ধিয়ে বস্তুৰ সাধাৰণ মূল্য স্তৰ বঢ়োৱাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।
- **বৈদেশিক মূদ্রা বিনিময় ব্যৱধান ঃ** উন্নয়নশীল দেশত হোৱা উদ্যোগিক উন্নতিয়ে আমদানি বৃদ্ধিত যথেষ্ঠ অৰিহনা যোগাইছে। আনহাতে এনেবোৰ দেশৰ ৰপ্তানিগত উদ্বৃত্ত তেনেই নগন্য, লগতে এনেবোৰ দেশৰ প্রতিযোগিতামূলক ক্ষমতাও কম হোৱাৰ বাবে ৰপ্তানি আয় বৃদ্ধি পোৱা দেখা নাযায়। ফলত আমদানি-ৰপ্তানিৰ পার্থক্যই দেখা দিয়ে আৰু বৈদেশিক মূদ্রাৰ নাটনিৰ সৃষ্টি হয়। উন্নয়নশীল দেশত দেশীয় বস্তুৰ যোগান কম। আনহাতে বৈদেশিক মূদ্রাৰ অভাৱৰ বাবে আমদানিও কৰিব নোৱাৰি সেয়েহে বস্তুৰ দাম বৃদ্ধি হয় আৰু এনে বৃদ্ধিয়ে সাধাৰণ মূল্যস্তৰ বঢ়োৱাত অৰিহনা যোগায়।
- **আন্তঃ গাঁথনিমূলক প্রতিবন্ধকতা ঃ** বেছিভাগ উন্নয়নশীল দেশেই আন্তগাঁথনিগত প্রতিবন্ধকতাৰ চিকাৰ হয় বিভিন্ন কাৰণত। প্রধানকৈ সম্পদ ব্যৱধান, বৈদেশিক মুদ্রা বিনিময় ব্যৱধান, অদক্ষতা আৰু দূর্নীতি, ত্রুটিযুক্ত পৰিকল্পনা আৰু প্রয়োগ আদিৰ ফলত উন্নয়নশীল দেশবোৰত আন্তঃগাঁথনিমূলক প্রতিবন্ধতা দেখা যায় মূলতঃ শক্তি আৰু পৰিবহনৰ ক্ষেত্রখনত। এনেবোৰ প্রতিবন্ধকতাৰ ফলত অর্থনীতিত ব্যবহৃত ক্ষমতা

থাকি যায় আৰু ই বিনিয়োগৰ ওপৰত বিৰূপ প্ৰভাব পেলায়। ইয়াৰ ফলস্বৰূপে, এনেবোৰ দেশত উন্নয়নৰ হাৰ স্থবিৰ হোৱা দেখা যায়। এনে পৰিস্থিতিত সাধাৰণ ব্যয় বৃদ্ধিয়েও অৱশিষ্ট চাহিদাৰ সৃষ্টি কৰে আৰু মূদ্রাস্ফীতিত ইন্ধন যোগায়।

- **অন্য গাঁথনিমূলক উপাদান ঃ** এইটো সাধাৰণতে কোৱা দেখা যায় যে, উন্নয়নশীল দেশৰ উদ্যোগীবোৰৰ উদ্যোগৰ প্ৰতি উৎসাহ, দূৰ্জহ প্ৰচেষ্টা আৰু উদ্ভাৱন চেষ্টা কম। আনহাতে তেওঁলোকে সুৰক্ষিত আৰু পৰম্পৰাগত বিনিয়োগৰ প্ৰতি বেছি আসক্ত। একে সময়তে, সামাজিকভাৱে অনুৎপাদনশীল বিনিয়োগ যেনে ব্যক্তিগত ভাবে মাটি, আ-অলংকাৰ আদিত কৰা বিনিয়োগ যথেষ্ট হোৱাৰ বাবে যথেষ্ঠ পৰিমাণৰ বিনিয়োগ যোগ্য 'সম্পদ' গুছি যায়। যিয়ে উন্নতিৰ হাৰক হ্ৰাস কৰে আৰু মূদ্রাস্ফীতিক শক্তিশালীভাৱে আগবাঢ়ি যোৱাত বৰঙণি যোগায়।

  মূদ্রাস্ফীতিৰ গাঁথনিগত দৃষ্টিভংগীৰ ফালৰ পৰা উন্নয়নশীল দেশৰ উপৰোক্ত উপাদান আৰু এনেধৰণৰ বেলেগ গাঁথনিগত চৰিত্ৰই এনেবোৰ দেশত হোৱা মূদ্রাস্ফীতিৰ যথোপযুক্ত কাৰণ।

অগ্রগতি নিৰীক্ষণ



প্ৰশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক।

(ক) মুদ্রাস্ফীতিৰ ফলত কৃষিজীৱি লোক বেয়াকৈ ক্ষতিগ্রস্ত হয়। (শুদ্ধ/অশুদ্ধ)

(খ) মুদ্রাস্ফীতিৰ কালছোৱাত বনুৱাসকল উপকৃত হয়। (শুদ্ধ/অশুদ্ধ)

(গ) ৰাহি বাজেট দাখিল কৰাটো মুদ্রাস্ফীতি নিয়ন্ত্রণৰ উল্লেখযোগ্য মৌদ্রিক ব্যৱস্থাসমূহৰ এটা। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৫ ঃ মুদ্রাস্ফীতিৰ ফলত বনুৱাসকল কেনেদৰে প্ৰভাৱিত হয়?
(৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন ৬ ঃ মুদ্রাস্ফীতিৰ সময়ত ঋণদাতা এজন কিয় আৰু কেনেদৰে প্ৰভাৱিত হয়? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাস্ফীতি হৈছে মূল্যবৃদ্ধিৰ দ্বাৰা চিহ্নিত হোৱা এক জটিল মুদ্রাসম্বন্ধীয় পৰিঘটনা। ইয়াত 'মূল্যবৃদ্ধি' হৈছে অতি গুৰুত্বপূর্ণ দিশ। মুদ্রাস্ফীতিক এনেদৰেও বুজোৱা হয় 'অতিৰিক্ত পৰিমাণৰ মুদ্রা অতি কম সংখ্যক সামগ্রীৰ পিছত ঘূৰি ফুৰিছে'।
- সাধাৰণভাৱে মুদ্রাস্ফীতিৰ চাৰিটা প্রকাৰৰ ওপৰত নির্ভৰ কৰি, চাৰি ধৰণৰ তত্ত্ব পোৱা যায় ঃ (ক) চাহিদা জনিত মুদ্রাস্ফীতি, (খ) ব্যয় জনিত মুদ্রাস্ফীতি, (গ) চাহিদা-ব্যয় মিশ্রিত মুদ্রাস্ফীতি আৰু (ঘ) খণ্ড ভিত্তিক চাহিদা বিচ্যুতি তত্ত্ব।
- চাহিদা জনিত মুদ্রাস্ফীতিক এনেদৰে বুজোৱা হয় 'অতিৰিক্ত পৰিমাণৰ মুদ্রা অতি কম সংখ্যক সামগ্রীৰ পিছত ঘূৰি ফুৰিছে'। ই এনেধৰণৰ পৰিস্থিতিক সূচায় যেতিয়া প্রচলিত মূল্যত উপলব্ধ যোগানতকৈ সামগ্রী আৰু সেৱা সমূহৰ বাবে চাহিদা বৃদ্ধি হোৱাৰ ফলত সাধাৰণ মূল্য স্তৰ বৃদ্ধি পায়।
- চাহিদা-জনিত মুদ্রাস্ফীতি আলোচনা কৰাৰ তিনিটা মূল পদ্ধতি আছে। সেইসমূহ যথা— (ক) কেইন্সৰ মুদ্রাস্ফীতি জনিত ব্যৱধান বিশ্লেষণ, (খ) অতিৰিক্ত চাহিদা বিশ্লেষণ আৰু (গ) বেন্ট হাছ্লেনৰ চাহিদা-জনিত মুদ্রাস্ফীতি তত্ত্ব।
- অতিৰিক্ত চাহিদা বিশ্লেষণ পদ্ধতিটোত মুদ্রাস্ফীতি এনে এটা পৰিঘটনা হিচাপে ব্যাখ্যা কৰা হয় যিটো বর্দ্ধিত মূল্যস্তৰৰ পৰা উদ্ভূত। উল্লেখযোগ্য যে, সেৱা আৰু সামগ্রী সমূহৰ যোগানৰ তুলনাত অতিৰিক্ত চাহিদাই ইয়াক দীর্ঘকাললৈ প্রসাৰিত কৰে।
- ব্যয়-জনিত মুদ্রাস্ফীতিৰ তত্ত্ব অনুসৰি, মূল্যবৃদ্ধি হৈছে মুদ্রাস্ফীতিৰ কাৰক। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত আৰু তাৰ পাছতো এই তত্ত্ব জনপ্রিয় হৈ পৰিছিল। এই তত্ত্বৰ মূল ধাৰণা এয়ে যে, সামগ্রী তথা সেৱাৰ উচ্চ চাহিদা অবিহনেও মুদ্রাস্ফীতিৰ সৃষ্টি হ'ব পাৰে।
- ব্যয়-জনিত মুদ্রাস্ফীতিৰ তত্ত্ব অনুসৰি, সাধাৰণতে তিনি প্রকাৰৰ কাৰকে উৎপাদন ব্যয় বৃদ্ধি কৰাটো পৰিলক্ষিত হয় — মজুৰি জনিত মুদ্রাস্ফীতি, মুনাফা জনিত মুদ্রাস্ফীতি আৰু উৎপাদন ব্যয় প্রেৰক মুদ্রাস্ফীতি।
- মূল্যস্তৰ বৃদ্ধিৰ হাৰৰ ওপৰত নির্ভৰ কৰি মুদ্রাস্ফীতি বিভিন্ন প্রকাৰে শ্রেণীবিভাগ কৰিব পাৰি। যথা—
  - বগাই যোৱা বা দীর্ঘবর্ত্তি মুদ্রাস্ফীতি,
  - চলন্ত মুদ্রাস্ফীতি,
  - ধাৱমান মুদ্রাস্ফীতি, আৰু
  - দূৰন্ত গতিত ধাৱমান মুদ্রাস্ফীতি ।
- মুদ্রাস্ফীতিয়ে অর্থনীতিৰ উৎপাদন কার্যৰ ওপৰত যথেষ্ট বিৰূপ প্রভাৱ পেলায়।
- মুদ্রাস্ফীতিয়ে আয় আৰু সম্পদৰ পুনৰ বিতৰণৰ ওপৰতো যথেষ্ট বিৰূপ প্রভাৱ পেলায়।
- মুদ্রাস্ফীতিৰ সময়ছোৱাত দেখা যায় যে ঋণদাতাসকলৰ লোকচান আৰু ঋণীসকলৰ লাভ

হয়।

- মুদ্রাস্ফীতি নিয়ন্ত্রণৰ বাবে তলত উল্লিখিত মৌদ্রিক ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পৰা যায় —
  - ঋণ নিয়ন্ত্রণ,
  - নতুন মুদ্রাৰ প্ৰচলন,
  - উৎপাদন আৰু উৎপাদনশীলতা বৃদ্ধি কৰা,
  - অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য নিয়ন্ত্রণ, আৰু
  - স্থিৰ মজুৰি নীতি।
- উন্নয়নশীল দেশৰ লগত জড়িত মুদ্রাস্ফীতিক গাঁথনিগত মুদ্রাস্ফীতি বুলি কোৱা হয় কাৰণ এনে মুদ্রাস্ফীতি সেই দেশবোৰৰ গঠনৰ লগত জড়িত।



১০.৭ অধিক জানিবৰ বাবে

ইংৰাজী গ্ৰন্থ ঃ

- Ahuja, H.L. (2007). *Macroeconomics: Theory and Policy*, New Delhi: S.Chand & Co.
- Gupta, R. D. & Rana, A. S. (2009). *Keynes and Post-Keynesian Economics*, Ludhiana: Kalyani Publisher.
- Rana, K. C. & Verma, K. N. (2009). *Macro Economic Analysis.* New Delhi: Vishal Publishing Co.
- Shapiro, E. (1988). *Macroeconomic Analysis*, New Delhi: Galgotia Publications Pvt. Ltd.

অসমীয়া গ্ৰন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অৰ্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্ৰকাশন।

১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ সাধাৰণতে, চাহিদাজনিত মুদ্রাস্ফীতিক এনেদৰে বুজোৱা হয় "অতিৰিক্ত পৰিমাণৰ মুদ্রা অতি কম সংখ্যক সামগ্ৰীৰ পিছত ঘূৰি ফুৰিছে"। ই এনেধৰণৰ পৰিস্থিতিক সূচায় যেতিয়া প্ৰচলিত মূল্যত উপলব্ধ যোগানতকৈ সামগ্ৰী আৰু সেৱা সমূহৰ বাবে চাহিদা বৃদ্ধি হোৱাৰ ফলত সাধাৰণ মূল্য স্তৰ বৃদ্ধি পায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মুদ্রাস্ফীতিৰ বিভিন্ন প্ৰকাৰসমূহৰ ভিতৰত বগাই যোৱা বা দীৰ্ঘবৰ্ত্তি মুদ্রাস্ফীতি

আটাইতকৈ নির্জু। মুদ্রাস্ফীতি (অর্থাৎ মূল্যবৃদ্ধি)-ৰ হাৰ এক দশকত ১০% (অর্থাৎ বছৰি ১%) বা তাতকৈ কম হ'লে এই ধৰণৰ মুদ্রাস্ফীতিৰ উদ্ভৱ হয় । এই ধৰণৰ মুদ্রাস্ফীতিয়ে অর্থনীতিটোৰ ওপৰত কোনো ধৰণৰ প্রভাৱ নেপেলায়।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ বনুৱাসকল মুদ্রাস্ফীতিৰ দ্বাৰা বেয়াকৈ ক্ষতিগ্রস্ত হয়। মুদ্রাস্ফীতিৰ হাৰ বৃদ্ধি হ'লে জীৱনধাৰণৰ ব্যয়ো বৃদ্ধি হয়। কিন্তু সেই অনুপাতে মজুৰিৰ হাৰ বৃদ্ধি নহয়। আনহাতে মুদ্রাস্ফীতিৰ ফলত বিভিন্ন সামগ্রীৰ বিভিন্ন হাৰত মূল্য বৃদ্ধি হয়। যদি মজুৰিৰ হাৰ জীৱন ধাৰণৰ ব্যয় সূচাংকৰ বৃদ্ধিৰ সমানুপাততো কৰা হয়, তথাপিও বনুৱাসকলক ই সম্পূর্ণ সহায় কৰিব নোৱাৰে। পূর্বৰ সঞ্চয়ৰ প্রকৃত মূল্যও মুদ্রাস্ফীতিৰ সময়ত হ্রাস পায়। ই বনুৱাসকলৰ ওপৰতো বিৰূপ প্রভাৱ পেলায়।

৬ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাস্ফীতিৰ সময়ত ঋণী সকলৰ লাভ হয়। কাৰণ, যেতিয়ালৈকে তেওঁলোকে ঋণদাতাক মূলধন আদায় দিয়ে, তেতিয়ালৈকে মুদ্রাৰ মূল্য মান হ্রাস হয়। অর্থাৎ, যদি সুদৰ হাৰ একেই থাকে, তেনে পৰিস্থিতিত ঋণীজনে ঋণদাতাজনক কম পৰিমাণৰ ক্রয় ক্ষমতা পৰিশোধ কৰে। গতিকে, মুদ্রাস্ফীতিৰ সময়ত ঋণী সকলৰ লাভ হয়।



১০.৯ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ মূদ্রাষ্ফীতিৰ ওপৰত এটা চমুটোকা যুগুটাওক।

প্রশ্ন ২ ঃ মূদ্রাষ্ফীতিৰ বিভিন্ন কাৰণবোৰ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ মুদ্রাস্ফীতি প্রতিৰোধী অনা-ৰাজহ সম্পর্কীয় ব্যৱস্থাসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ চাহিদা জনিত মূদ্রাষ্ফীতি আৰু ব্যয় জনিত মূদ্রাষ্ফীতিৰ মাজৰ পার্থক্য ব্যাখ্যা কৰক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ চাহিদা-জনিত মুদ্রাস্ফীতি ব্যাখ্যা কৰক। মুদ্রাস্ফীতি প্রতিৰোধী ব্যৱস্থা কেইটামান আগবঢ়াওক।

প্রশ্ন ২ ঃ ব্যয়-জনিত মুদ্রাস্ফীতি সম্পর্কে আলোচনা কৰক। মুদ্রাস্ফীতিয়ে অর্থনীতিত কেনে প্রভাৱ পেলায়?

প্রশ্ন ৩ ঃ গাঁথনিগত মূদ্রাষ্ফীতিৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ মুদ্রাস্ফীতি প্রতিৰোধী ব্যৱস্থাসমূহ সম্পর্কে এখন ৰচনা লিখক।

** ***** **